# **REGIONAL NEWS UNIT**
# AKASHVANI :: GUWAHATI

0000000000

**Date : 14-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::::**

ৰাজ্যপাল শ্ৰীলক্ষ্মন প্ৰসাদ আচাৰ্যই তেওঁৰ দুদিনীয়া ডিমা হাচাও ভ্ৰমণ সামৰি ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেব'লাল গাৰ্লোচাক ৰেডিঅ' ছেট তথা মেগা ফোন প্ৰদান কৰে। অসমৰ ৰাজ্যপালৰ অমৃত সৰোবৰ সদভাৱনা সংগত প্ৰোৎসাহন যোজনাৰ অধীনত এই পদক্ষেপ গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে ৰাষ্ট্ৰ নিৰ্মাণৰ কাম কাজত সামুহিক অংশগ্ৰহণত উদগণি যোগাই জনপ্ৰিয় কৰি তোলাৰ লক্ষ্যৰে এই যোজনা মুকলি কৰা হৈছে। এই ভ্ৰমণৰ সময়ত ৰাজ্যপালগৰাকীয়ে বিভিন্ন ৰাজনৈতিক সংস্থা, ইস্কন, প্ৰজাপিতা ব্ৰহ্মকুমাৰী, ৰামকৃষ্ণ মিছনকে ধৰি বিভিন্ন  আধ্যাত্মিক তথা সামাজিক সংগঠনৰ প্ৰতিনিধিৰ সৈতে মত বিনিময়  কৰে। ৰাজ্যপালগৰাকীয়ে কয়, যে সামাজিক প্ৰগতিৰ হকে কৰা অৰ্থপূৰ্ণ প্ৰচেষ্টাই সমাজলৈ সমৃদ্ধি কঢ়িয়াই আনে। ডিমা হাচাওৰ প্ৰাকৃতিক সৌন্দৰ্যক প্ৰশংসা কৰি ৰাজ্যপালগৰাকীয়ে কয় যে জিলাখনৰ সাংস্কৃতিক ঐতিহ্য তথা বৈচিত্ৰৰ মাজত থকা ঐক্যই অসমক অনন্য কৰি তুলিছে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম চুক্তিৰ ৬ নম্বৰ দফা অনুসৰি সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত আলোচনা কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাক আমন্ত্ৰণ জনাইছে। অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কাৰ্যকৰীকৰণ সন্দৰ্ভত এই আলোচনা অহা ১৬ ফেব্ৰুৱাৰীত দিশপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত হ'ব। আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জল ভট্টাচাৰ্যলৈ আনুষ্ঠানিক আমন্ত্ৰণপত্ৰ প্ৰেৰণ কৰা হৈছে। এই সন্দৰ্ভত ছাত্ৰ সন্থাৰ নেতৃত্বই কয় যে ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে হোৱা আলোচনাত অসম চৰকাৰে ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদনত অসম চৰকাৰৰ আওঁতাৰ ৪০ টা বিষয় ২০২৫ চনৰ এপ্ৰিল মাহৰ ভিতৰত কাৰ্যকৰী কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰৰ আওঁতাত পৰা ১২ টা বিষয়ৰ একে সময়তে কাৰ্যকৰী কৰা হ'ব বুলিও পূৰ্বৰ আলোচনাত কোৱা হৈছিল। ইপিনে, কেন্দ্ৰীয় চৰকাৰৰ আওঁতাত পৰা ১৫ টা বিষয় কাৰ্যকৰীকৰণৰ বাবে পদক্ষেপ লবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব। বিষয়টো সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হ'ব। অসম চৰকাৰৰ আওঁতাত পৰা বিষয়সমূহ কাৰ্যকৰী কৰাৰ বাবে এখন কৰ্মসূচী অসম চৰকাৰে প্ৰস্তুত কৰি ছাত্ৰ সন্থাক অৱগত কৰাৰ লগতে এই সন্দৰ্ভত সংগঠনটোৰ মত গ্ৰহণ কৰিব। পূৰ্বৰ এই আলোচনাৰ আধাৰতে পৰহিলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰ সৈতে আলোচনা অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে।

০০০০

জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই আজি মৰিগাওঁ জিলাৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত গৰুমাৰা দলনি অঞ্চলৰ সংঘাতপূৰ্ণ এলেকাত উপস্থিত হৈ স্থানীয় লোকসকলৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে, এটা

বিশেষ সম্প্ৰদায়ৰ লোকে এটা পৰিয়ালৰ সদস্যক কৰা আক্ৰমণৰ ঘটনাক লৈ অঞ্চলটোত উত্তেজনাৰ পৰিবেশ বিৰাজ কৰিছে। মন্ত্ৰীগৰাকীয়ে ভুক্তভোগী পৰিয়ালৰ সদস্যক সাক্ষাৎ কৰি ঘটনাৰ সৈতে জড়িত দোষীসকলৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে। আইন বিৰুদ্ধে কাৰ্যকলাপক কোনোপধ্যে প্ৰশ্ৰয় দিয়া নহব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে যোৱা মঙলবাৰে ঘাঁহ কটাক লৈ সূত্ৰপাত হোৱা মতানৈক্যৰ পাছত এটা বিশেষ সম্প্ৰদায়ৰ কিছুসংখ্যক লোকে চোকা অস্ত্ৰৰে এটা পৰিয়ালৰ সদস্যসকলক আক্ৰমণ কৰে। ঘটনা সন্দৰ্ভত ৪ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হয় যদিও আন কেইবাজনো সম্প্ৰতি পলাতক বুলি জানিব পৰা গৈছে।

০০০০

দৰং জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত ইউনিছেফৰ পৃষ্ঠপোষকতা লাভ কৰা বেচৰকাৰী সংস্থা ইণ্ডিপেণ্ডেণ্ট থট আৰু জিলা প্ৰশাসনৰ সহযোগত আজি মঙলদৈত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। চৰকাৰৰ দ্বাৰা স্থানীয় পৰ্যায়ত বাল্য বিবাহ প্ৰতিৰোধী বিষয়া হিচাপে স্বীকৃত পঞ্চায়ত সচিব আৰু থানা পৰ্যায়ত শিশু কল্যাণ আৰক্ষী বিষয়া হিচাপে স্বীকৃত আৰক্ষী বিষয়াসকলৰ বাবে এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত সমল ব্যক্তি হিচাপে ভাগ লৈ ইণ্ডিপেণ্ডেণ্ট থট সংস্থাটোৰ বিষয়ববীয়া ৰাম মাহৰাৰে বাল্য বিবাহ প্ৰতিৰোধত এই সকল চৰকাৰী বিষয়াৰ ভূমিকা, প্ৰত্যাহ্বান আৰু সংশ্লিষ্ট বিভিন্ন চৰকাৰী বিভাগৰ মাজত সমন্বয় আদি বিষয়ত বিস্তৃত আলোচনা আগবঢ়ায়। জিলা শিশু সুৰক্ষা বিষয়া গৌতম চহৰীয়াৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা দিনযোৱা প্ৰশিক্ষণ কাৰ্যসূচীত জিলা শিশু কল্যাণ সমিতিৰ অধ্যক্ষ ড০ বুধিন হাজৰিকাই উদ্বোধন কৰে। জিলাখনৰ মুঠ ৪০ খন গাওঁ পঞ্চায়তৰ সচিব আৰু ৬ খন থানাৰ সংশ্লিষ্ট আৰক্ষী বিষয়াসকলে অংশ লোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলা শিশু সুৰক্ষা গোটৰ ভাৰপ্ৰাপ্ত সুৰক্ষা বিষয়া দুলাল চন্দ্ৰ ডেকাই সঞ্চালনা কৰে।

০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমা সদৰত আজি বিপিএফৰ এখন দলীয় সভাত বিপিএফ প্ৰধান হাগ্ৰামা মহিলাৰীয়ে অংশগ্ৰহণ কৰে। এই সভাত ইউ পি পি এল দলৰ ৫১ জন কৰ্মীয়ে বিপিএফ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। ভাষণ প্ৰসংগত ইউ পি পি এলক বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য শ্ৰীমহিলাৰীয়ে তীব্ৰ সমালোচনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত শ্ৰীমহিলাৰীয়ে কয়, যে বিটিচি নিৰ্বাচনত তেওঁৰ দলে ২৫ খন আসন লাভ কৰিব।

০০০০

বাক্সা জিলাৰ সদৰ মুছলপুৰত আজি ইউ পি পি এল দলৰ এখন সভাত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিআৰ প্ৰধান প্ৰমোদ বড়ো, প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰীকে ধৰি কেইবাগৰাকীও দলীয় নেতাই অংশগ্ৰহণ কৰে। এই সভাত চাপাগুৰি বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক হীতেশ বসুমতাৰীয়ে ইউ পি পি এলত আনুষ্ঠানিকভাৱে যোগদান কৰে। হীতেশ বসুমতাৰীয়ে কিছুদিন পূৰ্বে বি পি এফ দল ত্যাগ কৰিছিল। ইপিনে সাংবাদিকৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিটিআৰত সৰ্বস্তৰৰ উন্নয়নৰ বাবে কাম কৰি থকা বুলি উল্লেখ কৰে।

০০০০

সমাপ্ত